১

# মাস্ক পিন্ধি নামাজ পঢ়াৰ বিষয়ে শ্বৰিঅতৰ আদেশ !

## প্ৰশ্নঃ-মাস্ক পিন্ধি নামাজ পঢ়িব পাৰি নে নোৱাৰি

بسم الله الرحمن الرحيم

الجواب بعون الملك الوهاب اللهم هداية الحق والصواب

উত্তৰঃ-হানাফি মজহবৰ মতে বিনা কাৰণত নাক আৰু মুখ ঢাকি নামাজ পঢ়া মকৰূহে তাহৰীমি। তাৰ কাৰণ লিখা হৈছে যে এয়া অৰ্থাৎ নাক আৰু মুখ ঢাকি ৰখা মজূছীসকলৰ(অগ্নিপূজাৰী)লগত অনুৰূপতা। যিহেতু এয়া সিহঁতৰ চিহ্ন,স্বভাৱ ও চৰিত্ৰ যে সিহঁতে অগ্নিপূজা কৰিলে নাক,মুখ ঢাকি ৰাখে। যাৰ বিষয়ে ফতোৱা শ্বামীত স্পষ্ট ভাৱে উল্লেখ কৰা হৈছে।

(در مختار و رد المحتار، كتاب الصلوة، باب ما يفسد الصلوة و ما يكره فيها، مطلب في الكلام على اتخاذ المسبحة ٢/ ٥١١)

তদ্ৰূপ "মাবছুতে ছুৰখী"ত আছে:যে হানাফি মজহবৰ মতে বিনা কাৰণত নাক আৰু মুখ ঢাকি নামাজ পঢ়া মকৰূহে তাহৰীমি:

(ويكره في الصلاة تغطية الفم) لحديث أبي هريرة رضي الله عنه، ان النبي صلى الله عليه وسلم «نهى أن يغطي المصلي فاه ـــــ وفيه تشبه بالمجوس في عبادتهم النار»

যথা আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদিছ যে আল্লাহৰ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে "নামাজত মুখ ঢাকিব মানা কৰিছে"। সেয়েহে নামাজত মুখ ঢাকি ৰখা মকৰূহ। কাৰণ মজূছীসকলে পূজা কৰোঁতে এনেকুৱা কৰে।

(مبسوط سرخسي ج ١، ص ٣٤، مكروهات الصلاة)

কিন্তু বৰ্তমান কালত মাস্ক বা ফেচ ক'ভাৰ (Mask,face cover)পিন্ধা কোনো বিশেষ জাতি তথা দলৰ লোকৰ পৰিচয়,চিহ্ন বা চৰিত্ৰ হৈ থকা নাই। আনহাতে এয়া পিন্ধিলে কোনো এক নিৰ্দিষ্ট জাতি জনজাতিৰ লোকৰ লগত একৰূপতাও নহয়।

Scanned with CamScanner

এতিয়াটো সকলো জাতিৰ লোকেই এয়া ব্যৱহাৰ কৰিব ধৰিছে। গতিকে আজি এয়া মজূছীসকলৰ চিহ্ন তথা স্বভাৱ হৈ থকা নাই। আৰু ইয়াৰ ব্যৱহাৰত সিহঁতৰ লগত কোনো ধৰণৰ অনুৰূপতাও নাথাকে। অথচ ইয়াৰ উদ্দেশ্যত সকলো জ্ঞাত যে কৰোণা ভাইৰাছৰ পৰা বাচি থকা। আনহাতে প্ৰশাসনে কঠিন ৰূপত নিৰ্দেশনা জাড়ি কৰিছে যে মাস্ক পৰিধান কৰিবৈ লাগিব অন্যথা দণ্ডিত হ'ব। গতিকে এয়া এতিয়া ওজৰে শ্বাৰঈত(শ্বৰীঅত সন্মত প্ৰয়োজনত)পৰিণত হ'ব। আৰু শ্বৰীঅত সন্মত প্ৰয়োজনৰ বিষয়ে "বাহৰুৰ ৰাঈক"ত এনেদৰে আহিছে:

أن تغطية الفم منهي عنها في الصلاة لما رواه أبو داود وغيره وانما ابيحت الضرورة

অৰ্থাৎ নামাজত মুখ ঢাকি ৰখা মকৰূহ যেনেদৰে আবু ডাউদ আদিত উল্লেখ আছে কিন্তু আৱশ্যেকীয়তাত মুখ ঢাকি নামাজ পঢ়া জায়েজ আছে।

(البحر الرائق شرح كنز الدقائق، ج ٢، ص ٢٧، مقص شعر الرأس في الصلاة)

এনেদৰেই ৰদ্দুল মোখতাৰত আছে:

ومنها تغطية الفم والوجه....... بلا عذر

বিনা কাৰণত নাক আৰু মুখ ঢাকি নামাজ পঢ়া মকৰূহ।

(الدر المختار ج ٢، التلثم والتنخم وكل عمل قليل بلا عذر)

গতিকে যি ঠাইত প্ৰশাসনে কঠিনতাৰে নামাজতো মাস্ক বা ফেচ ক'ভাৰ পিন্ধাৰ আদেশ দিছে যে নিপিন্ধিলে জড়িমনা ভৰিব লাগিব বা দণ্ডিত হ'ব তেনেকুৱা ঠাইত মাস্ক পিন্ধি নামাজ পঢ়াৰ অনুমতি হ'ব। যথা "বাহৰুৰ ৰাঈক" ত আছে:

«ابيحت للضرورة ولا ضرورة إذا أمكنه الدفع»

("তাছাল্লুম")অৰ্থাৎ নাক,মুখ ঢাকি নামাজ পঢ়াৰ অনুমতি প্ৰয়োজন অনুসৰি হ'ব। প্ৰয়োজনৰোধৰ ক্ষমতা থাকিলে আৱশ্যেকীয়তা নাথাকিব।

Scanned with CamScanner

৩

আনহাতে য'ত কোনো কঠিনতা নাই,আছে মাথোঁ আদেশহে তেনেকুৱা ঠাইত নামাজত নাক আৰু মুখ ঢাকি ৰখা নহ'ব। কাৰণ এয়া ওজৰে শ্বাৰঈ অৰ্থাৎ শ্বৰীঅত সন্মত প্ৰয়োজন নহয়। এই বিষয়ে অধিক জানিবলৈ «ফতোৱা ৰেজৱীয়্যাহ খণ্ড-৯ আৰু ফিক্বহে ইছলামী কে ছাত উছূল» পঢ়ক।

আল্লাহে আমাক সঠিক মাছাঈল শিকাৰ তৌফিক দান কৰক।

وَاللہُ اَعْلَمُ عَزَّوَجَلَّ وَرَسُوْلُہٗ اَعْلَم صَلَّی اللّٰہُ تَعَالٰی عَلَیْہِ وَاٰلِہٖ وَسَلَّم

والله اعلم بالصواب

ইঞ্জামুল হক, দৰং, অসম।

আপোনাৰ প্ৰশ্ন & আমাৰ উত্তৰ
আমাৰ লগত থাকক & প্ৰতিদিনে শিকক। +918638731917

Scanned with CamScanner